# নৰকান্ত বৰুৱাৰ গীতৰ শব্দ-বৈচিত্ৰ

শ্যামলী দলৈ

সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ,
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও

**সংক্ষিপ্তসাৰ ঃ** *নৰকান্ত বৰুৱা অসমীয়া সাহিত্য জগতৰ এক সুপৰিচিত নাম। এইগৰাকী সাহিত্যিকে অসমীয়া গীতি-সাহিত্যৰ জগতলৈ 'মনৰ খবৰ' আৰু 'নৰকান্ত বৰুৱাৰ গান' নামৰ গীতৰ সংকলন দুটি উপহাৰ দি গৈছে। বিংশ শতিকাৰ পঞ্চাশৰ দশকৰ পৰা গীত লিখিবলৈ আৰম্ভ কৰা বৰুৱাৰ গীতসমূহ পৰৱৰ্তী সময়ত বীৰেন্দ্ৰনাথ দত্ত, লক্ষ্যহীৰা দাস, দিলীপ শৰ্মা, মুকুল বৰুৱা, ভূপেন হাজৰিকা আদিৰ কণ্ঠত জনপ্ৰিয় হৈ উঠে। এগৰাকী সফল কবি-কথাশিল্পী হিচাপে বৰুৱাই কবিতাসমূহক যিদৰে ধ্বনি, ছন্দ,শব্দ, ব্যঞ্জনাৰে অৰ্থময় ৰূপত গঢ়ি তুলিছে একেদৰে গীতৰ মাজেৰে সুগভীৰ ভাৱৰাশি আৰু দৃঢ় চেতনা প্ৰকাশ কৰিব পৰা আৰু শিল্পাতীত গীতিময়তা প্ৰকাশ কৰিবপৰা বিভিন্ন শব্দৰ প্ৰয়োগ কৰিছে। এই বৈচিত্ৰময় শব্দৰ পয়োভৰে নৰকান্ত বৰুৱাৰ গীতসমূহক অতুলনীয় কৰি তুলিছে। অন্যকথাত তেওঁৰ গীতসমূহৰ মৰ্যদা তথা শিল্পগুণ বৃদ্ধি কৰাত এই শব্দসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। গতিকে, অসমীয়া গীতি-সাহিত্যৰ জগতত নৰকান্ত বৰুৱাৰ গীতৰ গুৰুত্ব উপলব্ধি কৰি বৰুৱাৰ গীতৰ শিল্পগুণৰ মূল্যায়ন কৰিবলৈ যাওঁতে তেওঁ গীতত ব্যৱহাৰ কৰা শব্দচয়নৰ ভূমিকা বিশ্লেষণ কৰাতো অতি প্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছে। এই গৱেষণাপত্ৰত নৰকান্ত বৰুৱাই  প্ৰয়োগ কৰা তৎসম, অৰ্ধ-তৎসম, তদ্ভৱ, দেশী-বিদেশী, যুৰীয়া,ধ্বন্যাত্মক, অনুৰূপ আদি বিভিন্ন শব্দই কেনেধৰণে গীতসমূহৰ মৰ্যদা তথা শিল্পগুণ বৃদ্ধি কৰিছে সেই দিশটোৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ আগবঢ়া হৈছে।*

**সূচক শব্দ ঃ** নৰকান্ত বৰুৱা, শব্দ-বৈচিত্ৰ, গীত

## ১. অৱতৰণিকা

অসমীয়া গীতি-সাহিত্যৰ এক সু-প্ৰাচীন ইতিহাস আছে। খ্ৰীষ্টিয় দশম-একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ[১] চৰ্যাপদ সমূহৰ পাছত প্ৰাক্‌শংকৰী আৰু শংকৰী যুগৰ কবি সকলৰ দ্বাৰা সৃষ্ট বৰগীত, নাটৰ গীত,ভটিমা, পাঁচালী  গীত আদিৰ মাজেৰে সক্ৰিয় ৰূপত প্ৰৱাহিত হৈ অহা অসমীয়া গীতি-সাহিত্যৰ গতি আহোম যুগত কিছু স্তিমিত হৈ পৰিছিল যদিও ঊনবিংশ শতিকাত এই ধাৰাটো পুনৰুজ্জীৱিত হৈ উঠে। ঊনবিংশ শতিকাত প্ৰথমে বঙলা

১) সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ.  ৩৬

গীতৰ আদৰ্শত গীত সৃষ্টি হ'লেও পৰৱৰ্তী সময়ত থলুৱা ঐতিহ্যপূৰ্ণ গীতৰ সৃষ্টি আৰু বিংশ শতিকাত স্থাপন হোৱা আকাশবাণী গুৱাহাটী আৰু শ্বিলং অনাতাঁৰকেন্দ্ৰই অসমীয়া গীতক এক নতুন মাত্ৰা প্ৰদান কৰিলে। এইদৰে প্ৰাক্‌শংকৰী, শংকৰী যুগৰ পৰা প্ৰৱাহিত গীতি-সাহিত্যত আধুনিক উপাদানৰ সমাহাৰেৰে ঊনবিংশ শতিকাত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদিয়ে আৰম্ভ কৰা আধুনিক অসমীয়া গীতি-সাহিত্যৰ পৰম্পৰাক যিসকলে পূৰ্ণাঙ্গ ৰূপ প্ৰদান কৰিলে সেইসকলৰ ভিতৰত নৰকান্ত বৰুৱাৰ নাম উল্লেখযোগ্য। এগৰাকী সফল কবি-কথাশিল্পী নৰকান্ত বৰুৱাই ষাঠিৰ দশকত *'মনৰ খবৰ'* নামৰ এটি গীতৰ সংকলন প্ৰকাশ কৰি অসমীয়া গীতি-সাহিত্যত খোজ পেলায়। পৰৱৰ্তীসময়ত তেওঁ ৰচনা কৰি যোৱা সকলোবোৰ গীত একত্ৰিত কৰি ২০০১ চনৰ ২৬ ডিচেম্বৰত *'নৰকান্ত বৰুৱাৰ গান'* শীৰ্ষক এখন গীতৰ সংকলন প্ৰকাশ পায়। তেওঁৰ গীতত চমকপ্ৰদ শব্দৰ প্ৰয়োগ আৰু পৰিৱেশ চিত্ৰণৰ মাজত এক সংবেদনশীলতা প্ৰত্যক্ষ কৰা যায়। আন কথাত ক'ব পাৰি যে, বৈচিত্ৰময় শব্দৰ পয়োভৰে নৰকান্ত বৰুৱাৰ গীতসমূহক অতুলনীয় কৰি তুলিছে। তেওঁ কবিতাসমূহক যিদৰে ধ্বনি, ছন্দ, শব্দ, ব্যঞ্জনাৰে অৰ্থময় ৰূপত গঢ়ি তুলিছ একেদৰে গীতৰ মাজেৰে সুগভীৰ ভাৱৰাশি আৰু দৃঢ় চেতনা প্ৰকাশ কৰিব পৰা আৰু শিল্পাতীত গীতিময়তা প্ৰকাশ কৰিব পৰা বিভিন্ন শব্দৰ প্ৰয়োগ কৰিছে। তেওঁৰ গীতসমূহৰ মৰ্যদা তথা শিল্পগুণ বৃদ্ধি কৰাত এই শব্দসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**১.০১ অধ্যয়নৰ গুৰুত্ব**

সুৰেই গীতৰ ভাৱ প্ৰকাশৰ ঘাই মাধ্যম যদিও কবিতাৰ দৰে গীতসমূহো সাহিত্যিক গুণসম্পন্ন। গতিকে সাহিত্যৰ আন শাখা যেনে-গল্প, উপন্যাস, কবিতা, নাটক আদিৰ দৰে গীতি-সাহিত্যৰো গৱেষণাৰ ক্ষেত্ৰখনত যথেষ্ট গুৰুত্ব আছে। বিংশ শতিকাৰ পঞ্চাশ-ষাঠিৰ দশকত আধুনিক অসমীয়া গীতি-সাহিত্যৰ জগতখনত যিসকল ৰুচিৱান আৰু সামাজিকভাৱে দায়বদ্ধ গীতিকাৰে আত্মপ্ৰকাশ কৰিছিল সেইসকলৰ ভিতৰত নৰকান্ত বৰুৱা হৈছে অন্যতম। তেওঁ কবিতা, উপন্যাস, শিশুসাহিত্য আদিৰ সমান্তৰালভাৱে বহুসংখ্যক শিশুগীত, বোলছবি গীত আৰু বিভিন্ন বিষয়ক গীত ৰচনাৰে গীতি-সাহিত্যৰ জগতখনতো এক অনৱদ্য সংযোজন ঘটালে। গতিকে নৰকান্ত বৰুৱাৰ কবিতা, উপন্যাস, শিশুসাহিত্যৰ লগতে তেওঁৰ গীতসমূহৰো গৱেষণামূলক অধ্যয়নৰ প্ৰয়োজন।

তদুপৰি গীতক বৈচিত্ৰময় কৰি তোলাত শব্দ, ছন্দ, অলংকাৰৰ গুৰুত্ব অপৰিসীম। গীতৰ অন্তৰ্নিহিত ভাৱক উপযুক্তৰূপত প্ৰকাশ কৰাত সহায় কৰে উপযুক্ত তথা ভৱৰ লগত সংগতি থকা শব্দই। সেয়েহে গীত একোটা সৃষ্টি কৰোতে গীতিকাৰে অৰ্থপূৰ্ণ ভাৱ প্ৰকাশ কৰিব পৰা দৈনন্দিন ব্যৱহৃত বিভিন্ন ঘৰুৱা শব্দকে ধৰি আন বিভিন্ন ধৰণৰ শব্দ ব্যৱহাৰ কৰে। নৰকান্ত বৰুৱাইও তেওঁৰ গীতসমূহৰ ভাৱৰ লগত সংগতি ৰাখি বিষয়বস্তুৰ লগত খাপ খোৱা সহজ-সৰল, চহা-গাৱলীয়া দৈনন্দিন ব্যৱহৃত ঘৰুৱা, তৎসম, তদ্ভৱ আদি বিভিন্ন শব্দৰ প্ৰয়োগ কৰিছে। গতিকে

অসমীয়া গীতি-সাহিত্যৰ জগতত নৰকান্ত বৰুৱাৰ গীতৰ গুৰুত্ব উপলব্ধি কৰি বৰুৱাৰ গীতৰ শিল্পগুণৰ মূল্যায়ণ কৰিবলৈ যাওঁতে তেওঁ গীতত ব্যৱহাৰ কৰা শব্দচয়নৰ ভূমিকা বিশ্লেষণ কৰাতো অতি প্ৰয়োজনীয় ।

**১.০২ অধ্যয়নৰ** উদ্দেশ্য আৰু পদ্ধতি

এই গৱেষণা পত্ৰ ৰ ঘাই উদ্দেশ্য হৈছে গাৱষণাৰ ক্ষেত্ৰখনত বৰ্তমানলৈকে পোহৰলৈ নহা এটা দিশ নৰকান্ত বৰুৱাৰ গীতসমূহৰ এটি দিশৰ মূল্যায়ণ কৰা আৰু ইয়াক এক গৱেষণাধৰ্মী মাত্ৰা প্ৰদান কৰা। দেখা যায় অসমীয়া গীতি-সাহিত্যৰ জগতত নৰকান্ত বৰুৱাৰ যথেষ্ট অৱদান আছে। কিন্তু সেই অনুপাতে তেওঁৰ গীতসমূহৰ বিষয়ে বৰ্তমানলৈকে কোনো ধৰণৰ গৱেষণামূলক অধ্যয়ন হোৱা নাই। দুই এটা প্ৰবন্ধ আৰু তেওঁৰ আন ৰচনাৰ বিষয়ে কৰা আলোচনাত প্ৰসঙ্গক্ৰমে গীতৰ আলোচনা থাকিলেও সম্পূৰ্ণ পৃথকৰূপে আৰু বিস্তৃতভাৱে এই বিষয়ত পূৰ্বে কোনো অধ্যয়ন, গৱেষণা হোৱা নাই। গতিকে অসমীয়া সাহিত্যৰ গৱেষণাৰ ক্ষেত্ৰখনত থকা এই অভাৱ পূৰণ কৰাটোও এই গৱেষণা কৰ্মৰ আন এক উদ্দেশ্য। লগতে এই কৰ্মৰ জৰিয়তে নৰকান্ত বৰুৱাৰ গীতসমূহৰ শিল্পগুণৰীতি অৰ্থাৎ গীতসমূহৰ ভাৱ, বিষয়বস্তুক অৰ্থময় ৰূপত তুলি ধৰিব পৰাকৈ তেওঁ কেনেধৰণৰ  শব্দৰ প্ৰয়োগ কৰিছে সেইবোৰ দিশৰ বিচাৰ-বিশ্লেষণ কৰাৰ লগতে সেই শব্দ সমূহে  গীতসমূহৰ ভাৱ আৰু বিষয়বস্তুক অৰ্থময় ৰূপত প্ৰকাশ কৰাত কিমানদূৰ সফল হৈছে সেই দিশটোৰ অধ্যয়ন  কৰাটোৱেই হৈছে  এই  গৱেষণা কৰ্মৰ মূল উদ্দেশ্য।

এই গৱেষণাপত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০৩ বিষয়ৰ পৰিসৰ**

*নৰকান্ত বৰুৱাৰ গীতৰ শব্দ-বৈচিত্ৰ* শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে ইয়াৰ মূল্যায়নৰ পৰিসৰত তৎসম, তদ্ভৱ, দেশী, বিদেশী আদি শব্দৰ প্ৰয়োগ কিদৰে ঘটিছে তাক বিচাৰ-বিশ্লেষণ কৰা হ'ব। আলোচনাৰ সুবিধাৰ্থে বিষয়টো ৯টা ভাগত ভাগ কৰি লোৱা হৈছে।

**১.০৪ তথ্য আহৰণ উৎস**

মূখ্য উৎস ঃ *নৰকান্ত বৰুৱাৰ গান* শীৰ্ষক গীতি সংকলনটিত সন্নিৱিষ্ট গীতসমূহক আলোচনাৰ মূল উৎস হিচাপে লোৱা হৈছে। ইয়াৰ বাবে *নৰকান্ত বৰুৱাৰ গান আৰু কবিতা সমগ্ৰ* গ্ৰন্থখনৰ সহায় লাৱা হৈছে।

গৌণ উৎস ঃ গৌণ উৎস হিচাপে বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।

## ২. নৰকান্ত বৰুৱাৰ গীত

বিংশ শতিকাৰ চল্লিশৰ দশকৰ পৰা সত্তৰৰ দশকলৈকে নতুন নতুন বিষয়বস্তু আৰু আংগিকেৰে কবিতা ৰচনা কৰি এজন সফল কবি ৰূপে প্ৰতিষ্ঠা লাভ কৰা নৰকান্ত বৰুৱাই ষাঠিৰ দশকত *মনৰ খবৰ* শীৰ্ষক গীতি সংকলনৰ জৰিয়তে গীতিকাৰ ৰূপে আত্মপ্ৰকাশ কৰে। কিন্তু, প্ৰকৃতাৰ্থত কণ্ঠশিল্পী বীৰেন্দ্ৰনাথ দত্তৰ সুৰ সংযোজনা আৰু কণ্ঠদানতহে বৰুৱাৰ গীতে অসমীয়া গীতি-সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। বীৰেন্দ্ৰনাথ দত্তই আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি নৰকান্ত বৰুৱাৰ *আকাশ আমাক অকণি আকাশ দিয়া, বৰ্ষা তোমাৰ চকুত মেঘৰ অঞ্জন, মন মোৰ বহাগৰ শীৰ্ণ নদী* আদি গীতত সুৰ সংযোগ কৰিয়েই বীৰেন্দ্ৰনাথ দত্ত আৰু নৰকান্ত বৰুৱাৰ সাংগীতিক যুটিৰ আৰম্ভ কৰিলে। গতিকে,ক'ব পাৰি যে তেওঁৰ গীতৰ কাব্যিক অভিব্যঞ্জনাৰ সৈতে সুন্দৰভাৱে খাপখোৱা শ্ৰুতিমধুৰ সুৰেহে গীতসমূহক বৈশিষ্ট আৰু বৈচিত্ৰ প্ৰদান কৰিছে। গীতিকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ আঁৰত বীৰেন্দ্ৰনাথ দত্তৰ অৰিহণা বৰুৱাই অকপটে স্বীকাৰ কৰি গৈছে।[২]

নৰকান্ত বৰুৱা যিহেতু এগৰাকী প্ৰতিষ্ঠিত কবি, গতিকে বহুসময়ত তেওঁৰ গীত আৰু কবিতাৰ মাজৰ সীমাৰখা ডাল ক্ষীণ হৈ যোৱা দেখা যায়। তেওঁৰ কিছুমান গীতত কেতিয়াবা আধুনিক কবিতাৰ জটিলতা প্ৰকাশ পাইছে আৰু সেই ভাৱ প্ৰকাশৰ জটিলতাই সুৰ আৰু গীতৰ কথাৰ একাত্ম মিলনত বাধা প্ৰদান কৰিছে। সেয়েহে দেখা যায় তেওঁৰ যিবোৰ গীতত সুৰ আৰু ৰচনাৰ একাত্ম মিলন হৈছে সেইবোৰ একো একোটা সাৰ্থক গীতলৈ পৰিণত হৈছে। আনহাতে য'তেই গীতৰ কথা আৰু সুৰৰ একাত্ম মিলন হোৱা নাই তাত গীতেও সমান সাৰ্থকতা লাভ কৰিব পৰা নাই। সেয়ে হ'লেও, তেওঁ ৰুচিসম্পন্ন আৰু সামাজিকভাৱে দায়বদ্ধ এগৰাকী সফল গীতিকাৰ হিচাপে অসমীয়া গীতি-সাহিত্যত নিজৰ স্থান নিগাজী কৰিবলৈ সক্ষম হৈছে।

নৰকান্ত বৰুৱাৰ গীতত চমকপ্ৰদ শব্দ আৰু পৰিৱেশ চিত্ৰণৰ লগতে গভীৰ সংবেদনশীল ভাৱৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰিও দৃঢ় চেতনা আৰু সুগভীৰ ভাৱৰ প্ৰকাশে তেওঁৰ গীতক অতুলনীয় মাত্ৰা প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, তেওঁৰ *বহাগৰ দুপৰীয়া যেন ৰ'দালিৰে ভৰা ৰাতি, জিলিৰ মাতে গভীৰ কৰে নিৰ্জনতা, সৌ পথাৰৰ কহুৱা ফুল, ধুন ধুনীয়া অকণমানি কণমানি মোৰ আইটিজনী, মোৰ মন বহাগৰ শীৰ্ণ নদী, আকাশ আমাক অকণি আকাশ দিয়া* আদি গীতৰ মাজেৰে সুগভীৰ ভাৱ আৰু সংবেদনশীলতা প্ৰকাশ পাইছে।

---

২) " বীৰেন দত্তৰ নাম মই বিশেষভাৱেই ল'ব লাগিব, কৰ্তব্য বা নিয়মৰ খাতিৰত নহয় -- তেওঁ মোৰ মাজৰ গীতিকাৰজনক আৱিষ্কাৰ নকৰাহেঁতেন নৰকান্ত বৰুৱা এজন কবি, উপন্যাস লেখক, শিশু সাহিত্যিক বা অধ্যাপক হৈ থাকিলহেঁতেন, গানৰ পৃথিৱীলৈ মোক আপোন মানুহ হিচাপে লৈ যোৱা মানুহ সুৰকাৰ আৰু গান গোৱা মানুহ বীৰেন দত্তৰ মূল্যায়ন কৰাৰ ক্ষমতা মোৰ নাই",উপলা বৰুৱা, উদয়ন হাজৰিক (সম্পা.),"আগকথা" , *নৰকান্ত বৰুৱা ঃ নৰকান্ত বৰুৱাৰ গান*, যথা উৎ. ঃ *নৰকান্ত বৰুৱাৰ গান আৰু কবিতা সমগ্ৰ*

এজন সফল শিশু সাহিত্যিক হিচাপে নৰকান্ত বৰুৱাই শিশুৰ উপযোগী বহুতো গীত ৰচনা কৰিছিল।সেইবোৰৰ ভিতৰত *কোনে আজি আবেলি মৰম নিলেহি তুলি, হেৰ' মেঘ মেঘ মেঘ অ' কলীয়া মেঘ, কথা সোধা দাদাক ভয় নকৰিবি ভাই অ'/কথাৰ মূৰত কথা ক'লে বাঘেও নাখায় অ', আহা আমি ব'লা যাওঁ /সপোনৰ গাঁওখনলৈ, ফেৰিৱালাৰ গান* আদি গীতৰ কথা ক'ব পাৰি। ইয়াৰ ভিতৰত ৰমেন বৰুৱাই সুৰ সংযোজন কৰা *কোনে আজি আবেলি* শীৰ্ষক গীতটি শিশুগীত হিচাপে অধিক জনপ্ৰিয়।তেওঁৰ এই গীতসমূহৰ ভাৱ-বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে, শিশুৰ সহজ-সৰল, কল্পনাপ্ৰৱন মনক খোৰাক যোগাব পৰাকৈ ইয়াৰ ভাষা আৰু প্ৰকাশভংগী সহজ-সৰল। তদুপৰি তেওঁৰ শিশুৰ প্ৰতি থকা উৎসাহ, দৃঢ় দায়বদ্ধতা গীতৰ মাজেৰে প্ৰকাশ পাইছে এনেদৰে--

*খেলক শিশুৰ দলে*

*পৃথিৱীৰ চোতালে চোতালে*

*মানুহৰ মন ওপচক*

*সমাজৰ কৰণি ভৰক*

*নিঘুণী কোমল ফুলে ফুলে। (নৰকান্ত বৰুৱাৰ গান ঃ পৃষ্ঠা- ১৩৩)*

শিশু সকলেই যে দেশৰ, সমাজৰ ভৱিষ্যত আৰু তেওঁলোকৰ মাজতেই ভৱিষ্যত সমাজৰ স্থিতি লুকাই আছে সেয়া উপলব্ধি কৰি তেওঁ তাৰ প্ৰতি থকা দায়িত্ববোধ গীতৰ মাজেৰে এনেদৰে প্ৰকাশ কৰিছে।

তেওঁ ৰচিত গীতসমূহৰ মাজৰ বহুতো গীত আকৌ বোলছবিৰ গীত হিচাপে জনপ্ৰিয় হৈছে। উদাহৰণস্বৰূপে, *জীৱনৰ এই সাঁকোত কিয়নো /সাজিব খুজিলি ৰং* শীৰ্ষক গীতটি *মাটিৰ স্বৰ্গ* নামৰ বোলছবিত ব্যৱহাৰ হৈছে।[৩] *গাগিনী কিমান পানী?* শীৰ্ষক গীতটি 'হীৰেন ভট্টাচাৰ্য'ৰ *সোৱণশিৰীক ভেটিব কোনে* নামৰ কথাছবিৰ ঘাই গীত হিচাপে ৰচনা কৰা হৈছিল।[৪] এখন নেদেখা নদীৰ সিপাৰে গীতটি *মুকুতা* বোলছবিত গোৱা হৈছিল। *মন মোৰ চম্পাকলি /উন্মুখ অন্তৰ মেলি* আৰু *য'ক্ উৰি পখিলাটি / বগা ক'লা পাখি মেলি* গীত দুটি *ইটো, সিটো বহুতো* কথাছবিৰ গান।[৫] *এই দুনিয়া এখন চিৰিয়াখানা* শীৰ্ষক গীতটি 'ফণী তালুকদাৰ'ৰ *বিভ্ৰাট* ছবিখনৰ বাবে ৰচিত।[৬]

নৰকান্ত বৰুৱাই বিভিন্ন উৎসৰ পৰা বিষয়বস্তু আহৰণ কৰি গীত ৰচনা কৰি গৈছে। নৰকান্ত বৰুৱাৰ গীতৰ বিষয়বস্তু আৰু আংগিকলৈ লক্ষ্য কৰিলে দেখা যায় যে, তেওঁ লোক সাহিত্য, পৌৰানিক কাহিনী , সাধুকথা আদিৰ

---

৩) বৰুৱা, উপলা, উদয়ন হাজৰিকা (সম্পা), *নৰকান্ত বৰুৱাৰ গান* আৰু *কবিতা সমগ্ৰ* ,ভৱানী প্ৰিন্ট এণ্ডপাব্লিকেশ্যনচ্ , ৩৬পৃষ্ঠা।

৪) উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ৭৩

৫) উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৩৮-১৩৯

৬) উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৫

লগতে প্ৰকৃতি, সমাজ আদিৰ পৰা বিষয়বস্তু আৰু প্ৰতীক-চিত্ৰকল্প আহৰণ কৰিছে। তেওঁৰ কবিতাত ব্যৱহৃত প্ৰায়বোৰ প্ৰতীক গীততো দেখিবলৈ পোৱা যায়। তেনে এটা প্ৰতীক হৈছে *আকশ*। কোনো কোনো সময়ত আকাশক তেওঁ প্ৰকৃতিৰ ঐশ্বৰ্যময় ৰহস্যৰ প্ৰতীক হিচাপে, কেতিয়াবা আকৌ সুদুৰ আৰু অসীমৰ বাৰ্তাবাহক ৰূপে ব্যৱহাৰ কৰিছিল এনেদৰে- *আকাশ আমাক অকণি আকাশ দিয়া*

*মাটিৰ বুকুত উচুপে আমাৰ আকাশ*

*পিয়াসী হিয়া। (নৰকান্ত বৰুৱাৰ গান ঃ পৃষ্ঠা- ৬৬)*

কেতিয়াবা আকৌ এই প্ৰতীককে শিল্পাতীত অৰ্থময়তা আয়ত্ব কৰাৰ, কেতিয়াবা কোনো পূৰ্ণতা প্ৰাপ্তিৰ অথবা কোনো ৰহস্যৰ অনুসন্ধানৰ প্ৰতীক ৰূপত ব্যৱহাৰ কৰিছে । ইয়াৰ উপৰিও তেওঁ মানৱীয় প্ৰমূল্যৰ প্ৰতীক ৰূপে 'শুকুলা ফোট' আদি প্ৰতীকৰ ব্যৱহাৰ কৰিছে।

### ৩. নৰকান্ত বৰুৱাৰ গীতৰ শব্দ-বৈচিত্ৰ

অসমীয়া ভাষাৰ শব্দভাণ্ডাৰলৈ লক্ষ্য কৰিলে ইয়াৰ উৎসবোৰক সংস্কৃত তৎসম, সংস্কৃত অৰ্ধ তৎসম, তদ্ভৱ, দেশী, বিদেশী, ধন্যাত্মক, মিশ্ৰ শব্দ, মুদ্ৰিত আদি কেইবাটাও ভাগত ভগাব পাৰি।[৭]

**৩.০১তৎসম শব্দ**

সংকৃত ভাষাৰ পৰা অবিকৃতৰূপে বা যথাযথৰূপে অসমীয়া ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰক সংস্কৃত তৎসম শব্দ বুলি কোৱা হয়। তেনে কিছুমান শব্দ হৈছে-- পদ্ম, কমল, কৰ্ম্ম, ধৰ্ম্ম, সত্য, মনুস্য, পশু, অগ্নি, বৃক্ষ ইত্যাদি।[৮] নৰকান্ত বৰুৱাৰ গীতত প্ৰয়োগ হোৱা কিছুমান তৎসম শব্দ হৈছে ---

*মৃত্যু, মন্দিৰ, তুচ্ছ, স্বাতী, সূৰ্যমুখী, কণ্ঠ, প্ৰণাম, অহংকাৰ, দ্বীপ, সংশয়, কুণ্ঠিত, ক্ষুব্ধ, নিৰ্জনতা, পৰিত্ৰতা, শীৰ্ণ, তৃষা, ডম্বৰু, স্পন্দন, হৃদয়, বৰ্ষা, অঞ্জন, ব্যাথা, হৃদয়, প্ৰেম, চঞ্চল, নগ্ন, অশ্ৰু, প্ৰাণ, তৃপ্তি, গ্লানি, ঈৰ্ষা, শূণ্য, মূল্য, চন্দন, সমুদ্ৰ, স্বপ্ন, মৃগতৃষ্ণা, মৃণাল, ব্যাপ্তি, নীড়, সঞ্চিত, ৰুগ্ন, কৃষ্ণা, ঋতু, প্ৰান্তৰ, দৃষ্টি, হঠাৎ, মংগল, সংগীত, ক্ষণ, ছন্দ, শৰৎ, যৱনিকা, সিক্তা, অলকানন্দা, ৰজনীগন্ধা, তাপসী, তিমিৰ, কুসুম, বসুন্ধৰা, জ্বলি, অন্ধ, সন্ধি, পূৰ্ণ, পৰ্ব্বত, আদি।*

---

৭) ভীমকান্ত বৰুৱা, *অসমীয়া ভাষা*, পৃষ্ঠা- ১৩৬

৮) উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৩৬

### ৩.০২ অৰ্ধ-তৎসম শব্দ

অসমীয়া ভাষাত কিছুমান সংস্কৃত শব্দ আছে যিবোৰত সংস্কৃতৰ হুবহু উচ্চাৰণ ৰক্ষিত হোৱা নাই। অসমীয়া ভাষাৰ উচ্চাৰণৰ লগত সংগতি ৰাখি তেনে সংস্কৃত শব্দবোৰ উচ্চাৰণ সলনি হৈছে। উচ্চাৰণত বিকৃত হৈ অসমীয়া ভাষাত ব্যৱহাৰ হোৱা তেনে শব্দবোৰক অৰ্ধ-তৎসম শব্দ বুলি কোৱা হয়। যেনে--

| সংস্কৃত তৎসম | অৰ্ধ- তৎসম |
|---|---|
| *কৰ্ম্ম* | *কৰম* |
| *ধৰ্ম্ম* | *ধৰম* আদি।[৯] |

নৰকান্ত বৰুৱাৰ গীতত দেখিবলৈ পোৱা এনে কিছুমান অৰ্ধ-তৎসম শব্দ হৈছে--

| অৰ্ধ- তৎসম | (সংস্কৃত তৎসম) | অৰ্ধ- তৎসম | (সংস্কৃত তৎসম) |
|---|---|---|---|
| ১) অপেচৰী | (অপ্সৰী) | ২) জনম | (জন্ম) |
| ৩) ভন্‌টিজনী | (ভন্টিজনী) | ৪) পিয়াসী | (প্ৰয়াসী) |
| ৫) মুকুতা | (মুক্তা) | ৬) সন্ধিয়া | (সন্ধ্যা) |
| ৭) নিজান | (নিৰ্জন) | ৮) পৰশ | (স্পৰ্শ) |
| ৯) চেনেহ | (স্নেহ) | ১০) ঢউ | (ঢৌ) |

### ৩.০৩ তদ্ভৱ শব্দ

অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবোৰ শব্দৰ মূল সংস্কৃত, কিন্তু ধ্বনি পৰিৱৰ্তনৰ নিয়ম অনুসৰি প্ৰকৃত ভাষাৰ মাজেদি পৰিৱৰ্ত্তিত ৰূপত অসমীয়া ভাষাত এই শব্দবোৰ সোমাইছে। এনেবোৰ শব্দই হৈছে তদ্ভৱ শব্দ।

| যেনে-- | সংস্কৃত | প্ৰাকৃত | অসমীয়া |
|---|---|---|---|
| | হস্ত | হত্থ | হাত |
| | কৰ্ম্ম | কম্ম | কাম আদি।[১০] |

৯)উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৩৬-১৩৭

১০) উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৩৭-১৩৮

নৰকান্ত বৰুৱাৰ গীতত দেখিবলৈ পোৱা কিছুমান তদ্ভৱ শব্দ হৈছে---

| সংস্কৃত | প্ৰাকৃত | অসমীয়া |
|---|---|---|
| বৰ্ষা | বৰষা | বাৰিষা |
| মৃত্তিকা | মট্‌তিআ | মাটি |
| জ্যোৎস্না | জোন্‌হা | জোনাক |
| গৃহ | গৰ্হ | ঘৰ |
| ব্যৱহাৰিকা | বৌহাৰী | বোৱাৰী |
| বৎসৰ | বচ্ছৰ | বছৰ |
| নৃত্য | নচ্চ | নাচ, |
| স্বৰ্ণ | সুবন্ন | সোণ, |
| সত্য | সচ্চ | সঁচা |
| মিথ্যা | মিচ্ছা | মিছা |
| সন্ধ্যা | সঞ্ঝা | সাঁজ |
| শুষ্ক | শুক্ক | শুকান, আদি |

### ৩.০৪ দেশী শব্দ

দেশী শব্দবোৰ হ'ল অসমত প্ৰচলিত কিন্তু তেনে শব্দবোৰ সংস্কৃতৰ পৰা অহা নহয়। এনে শব্দবোৰ হ'ল অসমত প্ৰচলিত বিভিন্ন পৰিয়ালৰ ভাষাৰ পৰা অহা শব্দ। এই শব্দবোৰৰ উৎসক- অষ্ট্ৰ-এছিয়াটিক*(খাচী, কোল,মালয়)*, তিব্বত-বৰ্মী *(বড়ো,মিচিং)* আৰু থাই আহোম এই তিনিটা ভাগত ভাগ কৰিব পাৰি। এনে শব্দৰ ভিতৰত কাবৌ, কিংখাপ, খঙ, খামোচ হেনো, চোকোৰা , ডিঙা, ডিঙৰা আদি খাচী ভাষাৰ শব্দ; মাইকী, ডঙুৰা, মুঠন, উতনুৱা, লাটুম, চুঙা, সেৰেকা, ভোদা, টীপ, বোকা আদি কোল-মুণ্ডা ভাষাৰ শব্দ; বেটী, হোলা, গোহৰি, গেৰেহা, টেলেকা, বগা, আদি *মালয়* ভাষাৰ শব্দ; হাফলু, চেলেক, গচক, হোলোঙা, বোন্দা, লফা, জখলা আদি বড়ো ভাষাৰ পৰা অহা শব্দ; ডাকুৰ, কহুৱা, অগৰংবগৰং আদি মিচিং ভাষাৰ শব্দ; পোখা, পুং, টং, খাং, লাং, বুৰঞ্জী, কাৰেং আদি শব্দ থাই আহোম ভাষাৰ পৰা অহা শব্দ।[১১] নৰকান্ত বৰুৱাৰ গীতত পোৱা কিছুমান দেশী শব্দ হৈছে ---

১) খাচী ভাষাৰ শব্দ ঃ *ডিঙৰা, ডিঙা, মাথোন, খামুচি, হেনো, খং, ৰঙ, চং* আদি।

১১) উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৩৮-১৩৯

২) কোল-মুণ্ডা ভাষাৰ শব্দ ঃ *লাটুম, মাইকী, লেখিয়া, বগা, টুপলি* আদি।

৩) বড়ো ভাষাৰ শব্দ ঃ *গচক, থৌকি-বাথৌ, ডেউকা, জলঙা, খোপা, আঙুলি, খোকা, দিখৌ* আদি।

৪) থাই আহোম ভাষাৰ শব্দ ঃ *বুৰঞ্জী, ফাং ,ডাং ,মোহন ,দোকমোকালি, কলং,* আদি।

৫) মিচিং ভাষাৰ শব্দ ঃ *কহুৱা ।*

### ৩.০৫ বিদেশী শব্দ

বিদেশী ভাষাৰ শব্দবোৰ হৈছে ইংৰাজী, হিন্দী, আৰবী-ফাৰ্চী, পতুৰ্গীজ, ফ্ৰান্স আদি বিদেশী ভাষাৰ পৰা অহা শব্দ। অসমীয়া ভাষাত থকা তেনে কিছুমান বিদেশী শব্দৰ উদাহৰণ হৈছে --- *খানা, খতম, ফেৰিৱালা, ঠেলাৱালা,* জানোৱাৰ আদি শব্দ হিন্দীভাষাৰ পৰা অহা; *ৰসগোল্লা, ভেজাল, কেলেংকাৰী, বেতাৰ* আদি বাংলা ভাষাৰ শব্দ; *নবাব, চুলতান, বেইমান, বাহাৰ, আপচোচ, কলম, কাগজ,কাৰবাৰ, দাৰোগা, উকীল, পায়জামা, বৰ্খাস্ত, দৰ্খাস্ত* আদি শব্দ *আৰবী-ফাৰ্চী* শব্দ; *বুটাম, বাল্টি, গীৰ্জা, মিস্ত্ৰী, পিস্তল, ইস্পাত, আলমাৰি, পাউৰুতি, নীলাম,কামিজ* আদি শব্দবোৰ *পতুৰ্গীজ* ভাষাৰ শব্দ; *কাৰ্ত্তিজ, কুপন, চাবোন, ওলন্দাজ, বুৰ্জ্জোৱা* আদি শব্দ *ফ্ৰান্সভাষাৰ* পৰা অহা; *হৰ্ত্তন, ইস্কাপন, ইচক্ৰুপ, ৰোহিতন* আদি শব্দ *ওলন্দাজৰ* পৰা অহা।[১২] নৰকান্ত বৰুৱাৰ গীতত দেখিবলৈ পোৱা এনে কিছুমান বিদেশী শব্দ হৈছে --

১) ইংৰাজী শব্দ ঃ *ড্ৰয়িং, ৰুম, পেছেন্‌জাৰ, কণ্ডাক্টৰ, জেব্ৰা, জাৰ্চী, ৰেফাৰী, ক্লাচ, ফাউল , টাৰ্জন, ফ্ৰক* আদি।

২) আৰবী-ফাৰ্চী ঃ *দুনিয়া, নচিব, নিচান, নুৰ , ডৰ্জন ,গোলাম* আদি ।

৩) হিন্দী শব্দ ঃ *শ্যৰ, ছুছুন্দৰ, বন্ যাও, লে যাও, নিয়ে যাও, চব্‌কা, এক ৰুপীয়া, চাৰ আনা, হোলি আদি।*

৪) বাংলা শব্দ ঃ *পুতুল*।

৫) ওলন্দাদ শব্দ ঃ *চিৰতন, হৰতন*।

৬) পতুৰ্গীজ শব্দ ঃ *পিস্তল, পিন, ,বুটাম* আদি ।

### ৩.০৬ ঘৰুৱা শব্দ

নৰকান্ত বৰুৱাই তেওঁৰ গীতৰ অন্তৰ্নিহিত ভাবৰ লগত সংগতি ৰাখি কিছুমান গীতত দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা চহা-গাঁৱলীয়া, সহজ-সৰল কিছুমান শব্দ ব্যৱহাৰ কৰিছে। এনে শব্দবোৰকে ঘৰুৱা শব্দ হিচাপে ভাগ কৰি আলোচনা কৰিবলৈ লোৱা হৈছে। তেওঁৰ গীতত প্ৰয়োগ হোৱা এনে কিছুমান ঘৰুৱা শব্দ হৈছে ---*অথনি, বেলা,পখৰা-*

---

১২ )উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৩৯-১৪০

*চিতৰা, বাজ, নেচাৰ, ভদীয়া, সাজ, স'তে, হাঁচতি, ভীমৰ চং, নাতিপোৰালি, নেলাগে, দিওঁতা, নাতিপুতি, ঘিলা, শলা, সেওঁতা, কেয়াঁ তামোল, নিওঁতা, বিধাতা, মচুৰ দালি, পাণখিলা, কেঞ্চাবন, কিখন, ন-জোন, ধিনদাওঁ খিটিক, ন-মাটি, আওগছ, ছলাহ, অজৰালোঁ, আগলতি, সোণপকা, কাচনমতী, দাঁতকৰচী আদি।*

**৩.০৭ ধ্বন্যাত্মক শব্দ**

কোনো স্বাভিৱিক ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা শব্দবোৰক সাধাৰণতে অনুকাৰ শব্দ বুলি কোৱা হয়।অন্য শব্দই প্ৰকাশ কৰিব নোৱাৰা কিছুমান শব্দ এই অনুকাৰৰ জৰিয়তে প্ৰকাশ কৰিব পাৰি। এই শব্দবোৰ কেতিয়াবা ক্ৰিয়াবিশেষণ আৰু কেতিয়াবা ক্ৰিয়া ৰূপে কাম কৰে। এই শব্দবোৰকে ধ্বন্যাত্মক শব্দ বুলিও কোৱা হয়। যেনে-- *টক্‌টক্, খট্‌খট্, ফুচ্‌ফুচ্, পিত্‌ পিত্ , মৰ্‌মৰ্* আদি।[১৩] *নৰকান্ত বৰুৱাৰ গীতত পোৱা ধ্বন্যাত্মক শব্দ কিছুমান হ'ল -- ফিচ্‌ফিচ্, থম্‌থম, গুণ্‌গুণ্‌ণি, কিন্‌কিনীয়া, কল্‌কল্, জিল্‌মিলনি, ফুট্‌ফুটীয়া, টিপ্‌টিপ্, ঢিপ্‌ঢিপ্, ধেই্‌ধেই্, ধন্‌ধিন্ , তাক্‌তাক্‌ টুপ্‌ টুপ্, দপ্‌ দপ, গুম্ গুম্ , ৰুণ্‌জুন্, কুল্ কুল্ ঢক্‌ঢকীয়া, তিৰ্‌বিৰ্ আদি ।*

**৩.০৮ অনুৰূপ শব্দ**

গঠনৰ দিশৰ পৰা এই শ্ৰেণীৰ শব্দবোৰ অনুকাৰ শব্দৰ দৰেই গঠিত। ইয়াত একোটা শব্দৰ অভ্যাস বা পুনৰুক্তি হয় আৰু এই অভ্যস্ত শব্দটোৰ নিজস্ব কোনো অৰ্থ নাথাকে।[১৪] নৰকান্ত বৰুৱাৰ গীতত পোৱা এনে কিছুমান অনুৰূপ শব্দ হৈছে - *পখৰা- চিতৰা, ভীম- চং, নাতি- পোৱালি, পোৱা- নোপোৱা, নাতি-পুতি, বেচা- কিনা, জোন-চেঁচা, ম'ৰা-চালি, কেয়াঁ-তামোল, থুপুক-থাপাক, উখল-মাখল, মচুৰ-দালি, কেঞ্চাবন, ন-জোন, ন-মাটি, আও-গছ, সোণ-পকা, নিজান-বাঁহী, দাঁত-কৰচী* আদি।

**৩.০৯ দ্বিৰুক্তিবাচক শব্দ**

একেধৰণৰ শব্দৰ পুনৰোক্তিত সৃষ্টি হোৱা শব্দবোৰ ইয়াত ধৰা হৈছে । উদাহৰণ স্বৰূপে, *নিগৰি নিগৰি, সুৰে-সুৰে, হাঁহি-হাঁহি, নিজৰি -নিজৰি, বাৰে বাৰে, ক্ষণে ক্ষণে, ফুলে ফুলে* আদি।

## ৪. সামগ্ৰিক মূল্যায়ন

নৰকান্ত বৰুৱাই তেওঁৰ গীতত সাংগীতিক লয় কোনো ক্ষেত্ৰতে যাতে প্ৰতিহত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱহাৰ কৰা তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশী, বিদেশী, ধ্বন্যাত্মক, অনুৰূপ, দ্বিৰুক্তিবাচক আদি শব্দবোৰে তেওঁৰ গীতক এক বৈচিত্ৰময় ৰূপ প্ৰদান কৰিছে। এই শব্দসমূহৰ প্ৰয়োগে তেওঁৰ গীতসমূহৰ ছন্দৰ মিল, গীতিময়তা, গীতৰ ব্যঞ্জনা, অক্ষুন্ন ৰখাত সহায় কৰিছে। তেওঁ কোনোবাটো গীতত এনে কিছুমান তৎসম শব্দ ব্যৱহাৰ কৰিছে যিবোৰ

১৩)উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৪০-১৪১

১৪) লীলাৱতী শইকীয়া বৰা, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব* ,পৃষ্ঠা- ২৫

শব্দৰ অসমীয়া তদ্ভৱ বা অৰ্ধ-তৎসম ৰূপ আছে। কিন্তু, তৎসম শব্দটোৰ ব্যৱহাৰত গীতটো যি অৰ্থময়, ব্যঞ্জনাময় ৰূপত প্ৰকাশ পাইছে তদ্ভৱ বা অৰ্ধ-তৎসম ৰূপৰ ব্যৱহাৰত ই হয়তো তেনেধৰণে ফুটি নুঠিলহেতেন। উদাহৰণস্বৰূপে, তেওঁৰ *অস্ত ৰবিৰ সভাত আজি* শীৰ্ষক গীতটিলৈ মন কৰিলে দেখা যায় যে,--

ৰঙে ৰঙে সুৰে সুৰে

আকাশ বতাহ ভৰি পৰে

ৰং পিয়াসী মোৰ *পৰাণ*

অশান্ত *ক্ৰন্দন*।      *( নঃ বঃ গাঃ আঃ কঃ সঃ পৃ. ১০৪)*

ইয়াত *পৰাণৰ* এটা অৰ্ধ-তৎসম শব্দ আৰু *ক্ৰন্দন* এটা তৎসম শব্দ। এই দুই শব্দৰ সলনি *প্ৰাণ* (তৎসম) আৰু *কান্দোন* (তদ্ভৱ) শব্দ দুটা ব্যৱহাৰ কৰিব পাৰিলেহেতেন। কিন্তু *পৰাণ* আৰু *ক্ৰন্দন* শব্দ দুটাই গীতটিৰ ভাৱ যিমান গভীৰভাৱে প্ৰকাশ কৰিছে *প্ৰাণ* আৰু *কান্দোন* শব্দ দুটাই সেই গীতিময়তা আৰু ভাৱ সিমান গভীৰভাৱে প্ৰকাশ কৰিব নোৱাৰিলহেতেন।

*ঠিক* একেদৰে, তেওঁ ব্যৱহাৰ কৰা *বাজ, বেলা, বিধাতা, দিওঁতা, উছৰ* আদি নিভাঁজ অসমীয়া তথা ঘৰুৱা সহজ-সৰল শব্দই গীতসমূহক শুৱলা কৰি তুলিছে। তদুপৰি দৈনন্দিন জীৱনত কথিত ৰূপত ব্যৱহৃত কিছুমান শব্দ যেনে - *যাবলে, কৰিবলে ,সতে, নেলাগে* আদি শব্দ গীতসমূহৰ বিষয়বস্তুৰ লগত সম্পূৰ্ণৰূপে খাপ খাই পৰিছে। এই শব্দবোৰ বৈয়াকৰণিকভাৱে যাবলৈ, কৰিবলৈ, সৈতে, নালাগে এইধৰণৰ হ'লেহে শুদ্ধ হয় যদিও গীতটিত কথিত ৰূপত হোৱা ব্যৱহাৰে গীতটিৰ সৌন্দৰ্য বৃদ্ধি কৰিছে আৰু গীতিকাৰৰ সৰল মনৰ পৰিচয় দিছে। কেতিয়াবা আকৌ তেওঁ ছন্দৰ মিলৰ বাবে কিছুমান শব্দৰ প্ৰয়োগ কৰিছে । যেনে ---

মনত পৰেনে কোনটো ফগুনত

দৰা পাই মনেৰে *মিলা,*

হোমৰ কাষতে গচকি আহিলা

সাতখন পানৰে *শিলা।*      (নঃ বঃ গাঃ আঃ কঃ সঃ, পৃ.১০৬)

ইয়াত শিলাৰ সলনি শিল শব্দটো ব্যৱহাৰ কৰিব পাৰিলহেতেন। কিন্তু পূৰ্বশাৰীৰ শেষৰ শব্দৰ সৈতে ছন্দ মিলা শিলা শব্দৰ প্ৰয়োগে গীতটিৰ ছন্দৰ লয় অক্ষুন্ন ৰাখিছে।

নৰকান্ত বৰুৱাই তেওঁৰ গীতৰ ভাৱ আৰু বিষয়বস্তু লগত সংগতি ৰাখি শব্দৰ প্ৰয়োগ কৰিছে। তেওঁৰ সকলোবোৰ গীততে একেধৰণৰ শব্দ প্ৰয়োগ কৰা দেখা নাযায়। কোনোবাটো গীতত তৎসম শব্দৰ পয়োভৰ বেছি, যেনে-*বৰ্ষা তোমাৰ চকুত মেঘৰ অঞ্জন* এই গীতটিত তৎসম শব্দৰ প্ৰচুৰ প্ৰয়োগে ইয়াৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে -

*বৰ্ষা* তোমাৰ মেঘ *ডম্বৰু স্পন্দন*

কত কলাপীৰ চপল *হৃদয় ৰঞ্জন।* *(নঃ বঃ গাঃ আঃ কঃ সঃ পৃ. ৬৫)*

কোনোবাটোত আকৌ বিদেশী শব্দৰ পয়োভৰ বেছি, আন কোনোবাটোত আকৌ ঘৰুৱা শব্দৰ পয়োভৰ বেছি। উদাহৰণস্বৰূপে, *ফেৰিৱালাৰ গান* গীতটিত বিদেশী শব্দৰ প্ৰয়োগ ইমানেই বেছি যে গীতটিত দুই এটাহে অসমীয়া শব্দ আছে । যেনে --

*এক ৰুপীয়া চাৰ আনা* দাম তাৰ

মামা, বাবা, ককাদেউতা হ'ব *পেছেন্জাৰ,*

তুমি হ'বা *কণ্ডাক্টৰ* --

*বে'ল* বজাবা *ঠন্ ঠন্ ঠন্* । *( নঃ বঃ গাঃ আঃ কঃ সঃ পৃ.১৬০)*

ইয়াৰ উপৰিও, তেওঁৰ কিছুমান গীতক ধ্বন্যত্মক শব্দ আৰু যুৰীয়া শব্দই বৈচিত্ৰময় কৰি তুলিছে। উদাহৰণস্বৰূপে, *নাচ্ কুলাবুটী নাচ্* গীতটিত *টিপ্ টিপ্ টিপ্ , টিপ্ টিপ্ টিপ্* আদি ধ্বন্যাত্মক শব্দই গীতটিৰ অন্তৰ্নিহিত ভাৱক স্পষ্ট কৰি তুলিছে। বৰুৱাই শিশুগীত হিচাপে ৰচনা কৰা গীতসমূহত সহজ-সৰল শব্দ আৰু শিশুক সহজে আকৰ্ষণ কৰিব পৰা, শিশুৱে সহজে হৃদয়ংগম কৰিব পৰা দৈনন্দিন জীৱনত ব্যৱহৃত ঘৰুৱা শব্দ আৰু আন গীততকৈ পৃথক শব্দৰ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে,*আহা আমি ব'লা যাওঁ* গীতটিত *তাক্ তাথৈ তাথৈ ,ধেই ধেই দাও* আদি শব্দই শিশুৰ মনক সহজে আকৰ্ষণ কৰে আৰু ই গীতটিক শিশুৰ বাবে উপযোগী হোৱাকৈ এটা ধেমেলীয়া সাংগীতিক লয় প্ৰদান কৰিছে। একেদৰে, সাঁথৰ, সাধু এইধৰণৰ বিষয় শিশুৰ স্বাভাৱিকতে প্ৰিয়; গতিকে, এনে বিষয়বস্তুক সাৰ্থক ৰূপত প্ৰকাশ কৰাত সহায় কৰিছে সহজ-সৰল শব্দৰ বৈচিত্ৰময় প্ৰয়োগে। যেনে -*ৰূপোৱালী চেনিপুথি/বহল মাছ কান্ধুলী/কচোন বাৰু দুষ্ট কোনটো মাছ?* এইধৰণৰ সাঁথৰৰ শৈলীয়ে শিশুক সহজে আকৰ্ষণ কৰিব।

ইয়াৰ বিপৰীতে তেওঁ আন কিছুমান গীতত আকৌ *ম্লান, সীমন্তিনী, দিগাংগনা,গুঞ্জন,কণ্ঠমণি, ডম্বৰুস্পন্দন* আদিৰ দৰে জটিল শব্দ আৰু *ঢৌ, লৈ, হৈ* আদি শব্দবোৰ সৰলকৈ ভাঙি *ঢউ, লই, হই* এনেদৰে ব্যৱহাৰ কৰিছে। এনে শব্দৰ ব্যৱহাৰে তেওঁৰ গীতৰ অন্তৰ্নিহিত ভাৱ-বিষয়ক স্পষ্ট ৰূপত প্ৰকাশ কৰিছে, ছন্দৰ মিল ৰক্ষা কৰিছে আৰু গীতৰ সাংগীতিক লয়ৰ ভাৰসাম্য ৰক্ষা কৰিছে। গতিকে, নৰকান্ত বৰুৱাৰ গীতৰ শব্দচয়নৰ বিচাৰ-বিশ্লেষণ কৰাৰ অন্তত এই কথা পৰিলক্ষিত হয় যে, বিভিন্ন ধৰণৰ শব্দৰ পয়োভৰে তেওঁৰ গীতসমূহক বৈচিত্ৰময় কৰি তুলিছে। তেওঁ ভিন্ন

বিষয়বস্তু অনুসৰি ভিন্ন শব্দৰ প্ৰয়োগ কৰিছে যিবোৰে তেওঁৰ গীতসমূহক সাৰ্থক ৰূপ প্ৰদান কৰিছে। শিশু আৰু অন্য শ্ৰেণীৰ শ্ৰোতাৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ গীতসমূহৰ বিষয়বস্তু নিৰ্বাচন কৰিছে আৰু সেই বিষয়বস্তুৰ লগত সুন্দৰকৈ খাপ খোৱাকৈ শব্দৰ প্ৰয়োগ কৰিছে। গীতত শব্দ প্ৰয়োগৰ এই যথোপযুক্ততাই তেওঁক এজন সাৰ্থক গীতিকাৰ ৰূপে পৰিচয় দিছে।

## ৫. উপসংহাৰ

এটা কথা স্পষ্ট যে, বৰুৱাৰ গীতসমূহে যদিও বীৰেন্দ্ৰনাথ দত্তৰ কণ্ঠত জনপ্ৰিয়তা লাভ কৰিছিল, প্ৰকৃততে গীতসমূহৰ বিষয়বস্তু, অন্তৰ্নিহিত ভাৱ, গীতসমূহত ব্যৱহৃত প্ৰতীক-চিত্ৰকল্প, ছন্দ-অলংকাৰৰ লগতে যথোপযুক্ত স্থানত যথোপযুক্ত শব্দৰ প্ৰয়োগে গীতসমূহক সাহিত্যিক আৰু সাংগীতিক দুয়ো দিশৰে পৰাই অভিনৱত্ব প্ৰদান কৰিছে। তেওঁৰ সমসাময়িক গীতিকাৰ সকলৰ অধিক সংখ্যকেই গীত ৰচনাৰ লগতে গীতত সুৰ আৰু কণ্ঠ প্ৰদান কৰিছিল। কিন্তু নৱকান্ত বৰুৱাই কেৱল গীত ৰচনা কৰিয়েই সেইসময়ৰ গীতিকাৰসকলৰ মাজৰ এজন শ্ৰেষ্ঠ গীতিকাৰ ৰূপে স্বীকৃত হ'বলৈ সক্ষম হৈছে। এই দিশৰ পৰা এটা কথা স্পষ্ট হয় যে, তেওঁৰ গীতত ব্যৱহৃত চমকপ্ৰদ শব্দ, বুদ্ধিদীপ্ত প্ৰতীক-চিত্ৰকল্পৰে পৰিবেশ চিত্ৰণৰ বৈচিত্ৰতা, বিষয়বস্তু আৰু ভাৱৰ সামঞ্জস্যতা, গভীৰ সংবেদনশীল ভাৱ আদি শিল্পগুণৰ সমাহাৰে গীতসমূহক সুৰ আৰোপৰ উপযোগী কৰি তুলিছে। অন্য কথাত, নৱকান্ত বৰুৱাৰ গীতৰ সাহিত্যিক গুণে তেওঁৰ গীতসমূহক সাংগীতিক লয়ৰ সুষমা প্ৰদান কৰিছে।

মুঠৰ ওপৰত, মানৱ জীৱনৰ বিভিন্ন দিশৰ পৰা আদি কৰি সমাজ, প্ৰকৃতি, নাৰী, শিশু সকলো বিষয়কে লৈ ৰচনা কৰা নৱকান্ত বৰুৱাৰ গীতসমূহক বিমূৰ্ত ভাৱধাৰা, গম্ভীৰ ভাৱধাৰা আকৌ কেতিয়াবা শিশুসুলভ ধেমেলীয়া ভাৱধাৰাই সুকীয়া সুকীয়া মাদকতা প্ৰদান কৰিছে। তদুপৰি বৰুৱাই প্ৰয়োজন অনুসৰি প্ৰয়োগ কৰা সংস্কৃত তৎসম, অৰ্ধ-তৎসম, তদ্ভৱ, দেশী, বিদেশী, ঘৰুৱা, ধ্বন্যাত্মক, যুৰীয়া শব্দসমূহে তেওঁৰ গীতসমূহক বৈচিত্ৰময় ৰূপ প্ৰদান কৰিছে। নৱকান্ত বৰুৱা এজন ৰুচিসম্পন্ন গীতিকাৰ হিচাপে তেওঁ শ্ৰোতাৰ ৰুচি অনুসৰি গীত ৰচনা কৰিছিল আৰু সেইধৰণে গীতত শব্দৰো প্ৰয়োগ কৰিছিল। তেওঁ শিশুসকলৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি সহজ-সৰল শব্দৰ প্ৰয়োগ কৰি গীত ৰচনা কৰিছিল। তদুপৰি বিচিত্ৰ শব্দসম্ভাৰ, প্ৰতীক-চিত্ৰকল্পই গীতসমূহৰ বিষয়বস্তু আৰু অন্তৰ্নিহিত ভাৱক শিল্পাতীত অৰ্থময়তা প্ৰদান কৰিছে। গীতসমূহৰ এনে সাহিত্যিক গুণলৈ লক্ষ্য কৰি অসমীয়া গীতিসাহিত্যৰ জগতত নৱকান্ত বৰুৱাক এজন শ্ৰেষ্ঠ গীতিকাৰৰ আসনত নিঃসন্দেহে অধিষ্ঠিত কৰিব পাৰি।

## প্ৰসঙ্গ

আলি, তফজ্জুল, *অসমীয়া আধুনিক গীতৰ সংগীতকাৰসকল,* অসম সাহিত্য সভা, যোৰহাট, ২০০৫।

গোস্বামী, সুৰেণ, *আধুনিক গীতত দৃষ্টিপাত,* গুৱাহাটী, ১৯৯৫ ।

দত্ত, বীৰেন্দ্ৰ নাথ, *অসমীয়া সংগীতৰ ঐতিহ্য,* অসম সাহিত্য সভা, যোৰহাট ২০০১।

পাঠক, ৰমেশ, *ভাষা-বিজ্ঞানৰ ভূমিকা,* অশোক বুক ষ্টল, গুৱাহাটী, ২০১০।

বৰা, প্ৰফুল্ল চন্দ্ৰ, ছালিম আলি আহমেদ(সম্পা.), *ঐতিহ্যঃ অসমীয়া সাহিত্য,* হেৰিটেজ আছাম, যোৰহাট, ২০০৭।

বৰুৱা, উপলা, উদয়ন হাজৰিকা (সম্পা), *নৰকান্ত বৰুৱাৰ গান আৰু কবিতা সমগ্ৰ,* ভৱানী প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনচ্, গুৱাহাটী, ২০১১।

বৰুৱা, ভীমকান্ত, *অসমীয়া ভাষা,* বনলতা, ডিব্ৰুগড়, ২০০৬ ।

শইকীয়া বৰা, লীলাৱতী, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* বনলতা, গুৱাহাটী, ২০০৬ ।